NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-06-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে চৰকাৰ প্ৰশ্নকাকত ফাদিল ঘটনাৰ নিৰপেক্ষ তদন্ত আৰু দোষীসকলক কঠোৰ শাস্তি সুনিশ্চিত কৰিবলৈ বদ্ধপৰিকৰ।

২। উত্তৰ-পূৰ্বাঞ্চলত শান্তি বৰ্তাই ৰখাৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে অঞ্চলটোৰ বিভিন্ন সমস্যা সমাধান কৰিছে বুলি ৰাষ্ট্ৰপতিয়ে প্ৰকাশ কৰিছে।

৩। প্ৰবীন বিজেপি নেতা লাল কৃষ্ণ আদৱানীক স্বাস্থ্যৰ উন্নতি ঘটাৰ বাবে নতুন দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ পৰা ঘৰলৈ যাবলৈ দিয়া হৈছে।

*আৰু*

৪। ভাৰত আজি গায়ানাৰ প্ৰভিডেন্স ষ্টেডিয়ামত হ'বলগীয়া আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে চৰকাৰ প্ৰশ্নকাকত ফাদিল ঘটনাৰ নিৰপেক্ষ তদন্ত আৰু দোষীসকলক কঠোৰ শাস্তি সুনিশ্চিত কৰিবলৈ বদ্ধপৰিকৰ। সংসদৰ উভয় সদনৰ যুঁটীয়া বৈঠকক সম্বোধন কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, দলীয় ৰাজনীতিৰ উৰ্ধত উঠি এনে ঘটনা ৰোধ কৰাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ অত্যন্ত জৰুৰী। তেওঁ কয় যে, চৰকাৰে পৰীক্ষাৰ সৈতে জড়িত নিকায়, এনে সংস্থাসমূহক কামকাজ আৰু পৰীক্ষা প্ৰক্ৰিয়াৰ সকলো দিশৰ গুৰুত্বপূৰ্ণ সংস্কাৰৰ হকে কাম কৰি আছে। সংসদে পৰীক্ষাত অসৎ পন্থা অৱলম্বনৰ ঘটনা ৰোধ কৰাৰ বাবে কঠোৰ আইন প্ৰণয়ন কৰিছে বুলি উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে কয় যে, বিভিন্ন ৰাজ্যত প্ৰশ্নকাকত ফাদিল হোৱাৰ ঘটনা পোহৰলৈ আহিছে আৰু দেশৰ যুৱ প্ৰজন্মক নিজৰ প্ৰতিভা প্ৰদৰ্শনৰ সঠিক সুযোগ প্ৰদান কৰিবলৈ চৰকাৰে অহৰহ প্ৰয়াস চলাই আহিছে। তেওঁ কয় যে, প্ৰতিযোগিতাসমূহক পৰীক্ষাই হওক চৰকাৰী নিযুক্তি প্ৰক্ৰিয়াই হওক সকলোতে পূৰ্ণ স্বচ্ছতা আৰু সততাৰ আৱশ্যকতা আছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে নিজৰ ভাষণত সদ্যসমাপ্ত লোকসভা নিৰ্বাচনত কেন্দ্ৰীয়শাসিত অঞ্চল জম্মু-কাশ্মীৰৰ জনসাধাৰণে অভিলেখ হাৰত ভোটদান কৰি ভাৰতৰ শত্ৰুসকলক যোগ্য প্ৰত্যুত্তৰ দিছে। তেওঁ কৈছে যে এই ভোটদানৰ হাৰে জম্মু-কাশ্মীৰৰ দশক পুৰণা অভিলেখ ভংগ কৰে। তেওঁ লগতে কয় যে বিগত চাৰিটা দশকত জম্মু-কাশ্মীৰত বিভিন্ন প্ৰতিবাদ আৰু বন্ধৰ ফলত ভোটদানৰ হাৰ নিম্নগামী হৈছিল আৰু ভাৰতৰ শত্ৰুপক্ষই ইয়াকে আন্তঃৰাষ্ট্ৰীয় মঞ্চত কাশ্মীৰৰ জনসাধাৰণৰ ৰায় বুলি অপপ্ৰচাৰ কৰিছিল। কিন্তু এইবাৰ কাশ্মীৰ উপত্যকাই এনেধৰণৰ সকলো পক্ষকে সমীচিন প্ৰত্যুত্তৰ দিয়ে। তেওঁ কয় যে জনসাধাৰণে চৰকাৰেহে তেওঁলোকৰ আশা-আকাংক্ষা পূৰণ কৰিব পাৰে বুলি

এইবাৰ বাৰুকৈ অনুধাৱন কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে নতুন চৰকাৰে সংসদৰ পৰৱৰ্তী অধিৱেশনত প্ৰথমখন সাধাৰণ বাজেট দাখিল কৰিব আৰু বাজেটখন চৰকাৰৰ সুদূৰপ্ৰসাৰী নীতি আৰু ভৱিষ্যদৰ্শী দৃষ্টিভংগীৰ ফলপ্ৰসু নথি হ'ব। ইয়াৰ ফলত সংস্কাৰৰ প্ৰক্ৰিয়া ত্বৰান্বিত হ'ব বুলি শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে বিগত ১০ বছৰত ভাৰত একাদশ অৰ্থব্যৱস্থাৰ দেশৰ পৰা পঞ্চম সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰূপে পৰিগণিত হৈছে। তেওঁ লগতে কয় যে বিশ্বৰ বিভিন্ন প্ৰান্তত দেখা দিয়া সংঘাত আৰু মহামাৰী সত্ত্বেও ভাৰতে এই উল্লেখযোগ্য সাফল্য অৰ্জন কৰিছে। তেওঁ কয় যে চৰকাৰে ভাৰতক বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰ দেশ হিচাপে গঢ়ি তোলাৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছে। দেশৰ অৰ্থব্যৱস্থা সুদৃঢ় কৰি তোলাৰ বাবে চৰকাৰে লোৱা পদক্ষেপৰ ওপৰত আলোকপাত কৰি ৰাষ্ট্ৰপতি মুৰ্মুৱে কয় যে, চৰকাৰে নিৰ্মাণ, সেৱা আৰু কৃষিখণ্ডত সমানেই গুৰুত্ব আৰোপ কৰি আহিছে। তেওঁ কয় যে, ভাৰত তথ্য-প্ৰযুক্তিৰ পৰা পৰ্যটন আৰু স্বাস্থ্যৰ পৰা কল্যাণলৈ সকলো ক্ষেত্ৰতে অগ্ৰণিৰূপে পৰিগণিত হৈছে আৰু ইয়াৰ ফলত কৰ্মসংস্থাপন আৰু স্বনিয়োজনৰ ন ন সুযোগ সৃষ্টি হৈছে। তেওঁ লগতে কয় যে, ক্ষুদ্ৰ খেতিয়কসকলৰ মজুতকৰণৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ সমস্যা সমাধানৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে সমবায় খণ্ডত বিশ্বৰ সৰ্ববৃহৎ মজুতকৰণ সুবিধা গঢ়ি তোলাৰ বাবে কাম আৰম্ভ কৰিছে। চৰকাৰে প্ৰাকৃতিক খেতি আৰু আনুসংগিক সামগ্ৰীসমূহৰ যোগান শৃংখলা সুদৃঢ়কৰণৰ বাবে কাম কৰি আছে বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীমতী মুৰ্মুৱে তেওঁৰ প্ৰায় ঘণ্টা জোৰা ভাষণত আন্তঃগাঁথনি উন্নয়নৰ হকে চৰকাৰে লোৱা উদ্দমৰ ওপৰত আলোকপাত কৰি কয় যে, যোৱা ১০ বছৰত প্ৰধানমন্ত্ৰী গ্ৰামীণ চড়ক যোজনাৰ অধীনত তিনি লাখ ৮০ হাজাৰ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যৰ গাঁৱলীয়া পথ নিৰ্মাণ কৰা হৈছে।

উত্তৰ পূৰ্বাঞ্চলৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহ উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে অঞ্চলটোত শান্তি বৰ্তাই ৰখাৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে আৰু অঞ্চলটোৰ বিভিন্ন সমস্যা বিগত ১০ বছৰত সমাধান কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে লগতে কয় যে অঞ্চলটোত শান্তি-শৃংখলা অব্যাহত থকাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিৰক্ষা বাহিনীৰ বিশেষ ক্ষমতা আইন পৰ্যায়ক্ৰমে বিভিন্ন ঠাইৰ পৰা প্ৰত্যাহাৰ কৰা হৈছে। পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱা সন্দৰ্ভত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে চৰকাৰে এই বিষয়টোৰ তদন্ত কৰাৰ লগতে দোষী ব্যক্তিক শাস্তি প্ৰদান কৰাৰ বাবে দায়বদ্ধ। তেওঁ লগতে কয় যে চৰকাৰে পৰীক্ষাত অনিয়মৰ ঘটনা ৰোধ কৰাৰ বাবে এখন বিশেষ আইন জাৰি কৰিছে।

oooooooo

প্ৰবীন বিজেপি নেতা লাল কৃষ্ণ আদৱানীক আজি নতুন দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ পৰা ঘৰলৈ যাবলৈ দিয়া হৈছে। বাৰ্ধক্যজনিত কিছু জটিলতাৰ পৰিপ্ৰেক্ষিতত যোৱা নিশা বৰ্ষিয়ান নেতাগৰাকীক এইমছত ভৰ্তি কৰোৱা হৈছিল। অসুস্থতাৰ বাবে ৯৬ বছৰীয়া নেতাগৰাকীক চিকিৎসকৰ পৰ্যৱেক্ষণত ৰখা হৈছিল।

oooooooo

বিহাৰৰ জনতা দলৰ সাংসদৰ এটা প্ৰতিনিধি দলে আজি সংসদ ভৱনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। সামাজিক মাধ্যমত এটা বাৰ্তা যোগে শ্ৰীমোদীয়ে কয় যে, বিহাৰত বিজেপি আৰু J D U ই একেলগে দুৰ্বল শাসন, দুৰ্নীতি আৰু অপৰাধীকৰণৰ বিৰুদ্ধে যুঁজ দিয়াৰ এক দীঘলীয়া ইতিহাস আছে। তেওঁ লগতে যে, মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ নেতৃত্বই বিহাৰক উন্নয়নৰ পথত লৈ গৈছে আৰু সুশাসনৰ বাবে দুয়োপক্ষই একেলগে কাম কৰি যাব।

00000000

কেন্দ্ৰীয় তদন্তকাৰী সংস্থাই NEET-UG পৰীক্ষাত সংঘটিত হোৱা অনিয়মৰ সৈতে জড়িত দুজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে। চৰকাৰীসূত্ৰই জনোৱা অনুসৰি বিহাৰৰ পাটনাৰ পৰা অভিযুক্ত দুজনক গ্ৰেপ্তাৰ কৰা হৈছে। NEET-UG পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল গোচৰৰ তদন্ত আনুষ্ঠানিকভাৱে গ্ৰহণ কৰা কেন্দ্ৰীয় তদন্তকাৰী সংস্থাইয়ে  সোমবাৰে বিহাৰ আৰক্ষীৰ অৰ্থনৈতিক অপৰাধ সম্পৰ্কীয় গোটৰ কাৰ্যালয়ত উপস্থিত হৈ এই সন্দৰ্ভত তদন্ত আৰম্ভ কৰে।

00000000

বিহাৰ, ঝাৰখণ্ড আৰু মধ্যপ্ৰদেশৰ নৱনিৰ্বাচিত ছয়গৰাকী সাংসদে আজি ৰাজ্য সভাৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে। ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে নতুন সাংসদসকলক শপত বাক্য পাঠ কৰোৱায়। উচ্চ সদনৰ সদস্য হিচাপে কংগ্ৰেছৰ সাংসদ অখিলেশ প্ৰসাদ সিং, JMMৰ ডাঃ সৰফৰাজ আহমদ আৰু বিজেপিৰ প্ৰদীপ কুমাৰ বাৰ্মা, বংশীলাল গুৰ্জাৰ, মায়া নৰোলিয়া আৰু বল্যোগী (BALYOGI) উমেযনাথে শপত গ্ৰহণ কৰে।

00000000

ভাৰত আজি গায়ানাৰ প্ৰভিডেন্স ষ্টেডিয়ামত হ'বলগীয়া আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত অনুষ্ঠিত হ'ব।

ইপিনে, দক্ষিণ আফ্ৰিকাই আজি পুৱা ত্ৰিনিদাদৰ ব্ৰায়ন লাৰা ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত আফগানিস্তানক ৯ উইকেটত পৰাস্ত কৰে। দক্ষিণ আফ্ৰিকাই ৫৭ ৰানৰ বিজয় লক্ষ্যৰে খেলি ৮ অ'ভাৰ আৰু ৫টা বলত এটা উইকেটৰ বিনিময়ত ৬০ ৰান কৰি জয়লাভ কৰে। ইয়াৰ পূৰ্বে আফগানিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ১১ অ'ভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৫৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত এতিয়ালৈকে এইটোৱেই সৰ্বনিম্ন স্ক'ৰ। দক্ষিণ আফ্ৰিকাই প্ৰথমবাৰৰ বাবে বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

00000000

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮-সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বাতৰি পৰিবেশন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আগ্ৰহীসকলে আকাশবাণীত প্ৰচাৰৰ উপযোগী বাতৰিৰ এটা ১ মিনিটৰ অডিঅ' বাণীবদ্ধ কৰি নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নামসহ 97166-80969 আৰু 96196-86659 নম্বৰলৈ WHATSAPP  যোগে প্ৰেৰণ কৰিব পাৰিব। অডিঅ' প্ৰেৰণৰ অন্তিম দিন কাইলৈ সন্ধিয়া ৭বজা ধাৰ্য কৰা হৈছে। নিৰ্বাচিত তিনিগৰাকী প্ৰতিযোগীক অহা ১ জুলাইত গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব।

00000000

সমাপ্ত